# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

----------------------

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ স্মৃতি আৰু ত্যাগক সুঁৱৰি জামুগুৰিহাটত আজি কেন্দ্ৰীয়ভাৱে শ্বহীদদিৱস উদযাপন কৰা হ'ব। ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। অনুষ্ঠানত অবিভক্ত শোণিতপুৰ জিলাৰ ১৬০ গৰাকী শ্বহীদৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী তথা সাংসদে অংশগ্ৰহণ কৰিব। পকামুৰা পথাৰ যুৱ মৰ্চাৰ কৰ্মকৰ্তাসকলে এই অনুষ্ঠানৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলি জানিব পৰা গৈছে।

উল্লেখযোগ্য যে ১৯৭৯ চনৰ আজিৰ দিনটোতে অসম আন্দোলনত খৰ্গেশ্বৰ তালুকদাৰে প্ৰাণ বিসৰ্জন দিছিল। অসম আন্দোলনৰ ৮৬০ গৰাকী শ্বহীদলৈ শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থাৰ লগতে ৰাজ্যবাসীয়ে ১০ ডিচেম্বৰৰ দিনটো শ্বহিদ দিৱস হিচাপে পালন কৰি আহিছে। এইবেলি সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় শ্বহিদ দিৱসৰ অনুষ্ঠান গোৱালপাৰাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰিছে। গোৱালপাৰা জিলা ছাত্ৰ সন্থা, বগুৱান আঞ্চলিক ছাত্ৰ সন্থা আৰু অঞ্চলবাসীৰ সহযোগত এই দিৱস পালন কৰা হ'ব। আনহাতে, ৰাজ্যৰ সকলো জিলা, মহকুমা, আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি আন সংগঠনসমূহেও শ্বহীদ দিৱসৰ আয়োজন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শ্বহিদ দিৱসৰ অনুষ্ঠানত অতিথি হিচাপে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকচোক, সাধাৰণ সম্পাদক ড° সুভাষ ৰাভা, সদৌ কোচ্ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি বলোৰাম বৰ্মন, সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ নাথ তথা সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সভাপতি নুল হককে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

oooooo

ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ আজি ১৯০ সংখ্যক জয়ন্তী। জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জ্যোতি বাটচ'ৰাৰ দাঁতিত প্ৰয়াত বৰুৱাদেৱৰ পূৰ্ণ অৱয়বৰ এটা ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াই এই প্ৰতিমূৰ্তিটো উন্মোচন কৰিব। ইপিনে, গুৱাহাটী বিশ্ববিদ্যালয়ত থকা প্ৰয়াত বৰুৱাদেৱৰ প্ৰতিমূৰ্তিৰ সন্মুখতো আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিশ্ববিদ্যালয় পঞ্জীয়কৰ লগতে ইলোৱা বিজ্ঞান মঞ্চৰ সভাপতি আৰু অন্যান্য ভালেকেইগৰাকী আগশাৰীৰ লোক উপস্থিত থাকিব। উল্লেখযোগ্য যে ইলোৱা বিজ্ঞান মঞ্চই প্ৰতিবছৰে আজিৰ দিনটো কু-সংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস হিচাপে উদযাপন কৰি আহিছে।

শিৱসাগৰৰ হেমচন্দ্ৰ বৰুৱা উদ্যানতো আজি ভাষাৰ ওজাগৰাকীক স্মৰণ কৰাৰ উদ্দেশ্যে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

oooooo

পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা কাইলৈ প্ৰকাশ পাব বুলি ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে জাননীযোগে এই বিষয়ে প্ৰকাশ কৰে। ২০২৫ চনৰ ১ জানুৱাৰীক ভিত্তিবৰ্ষ হিচাপে লৈ এই তালিকা প্ৰকাশ কৰা হ'ব। পুনৰ গঠিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পৰিসীমাৰ ভিত্তিত এই তালিকা যুগুত কৰা হ'ব। ১২ আৰু ১৩ ডিচেম্বৰত ভোটাৰ তালিকাৰ খচৰা গাঁও পঞ্চায়ত, খণ্ড উন্নয়ন বিষয়া, জিলা পৰিষদ আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ত উপলব্ধ হ'ব। ইয়াৰ পাছতে এই তালিকা সম্পৰ্কে ওজৰ-আপত্তি ১৪ৰ ২১ ডিচেম্বৰলৈ গ্ৰহণ কৰা হ'ব। ২৮ ডিচেম্বৰত এই নিৰ্বাচনৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে সংশোধিত পঞ্চায়ত আইন অনুসৰি এইবাৰ পঞ্চায়ত নিৰ্বাচনত গাঁও পঞ্চায়তৰ সদস্য, আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্য এই তিনিটা পদৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পূৰ্বৰ দৰে পঞ্চায়ত সভাপতিৰ বাবে প্ৰত্যক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰিৱৰ্তে এইবাৰ গাঁও পঞ্চায়তৰ নিৰ্বাচিত সদস্যসকলে পৰৱৰ্তী সময়ত পঞ্চায়তৰ সভাপতি নিৰ্বাচন কৰিব।

অহা মাহৰ প্ৰথম বা দ্বিতীয় সপ্তাহতে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে অহা ফেব্ৰুৱাৰী মাহৰ ভিতৰত পঞ্চায়ত নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰ গাঁও পঞ্চায়তৰ নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলে দলীয় প্ৰতীক অবিহনে নিৰ্বাচনত অৱতীৰ্ণ হ'ব লাগিব।

০০০০০০

শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পৰাগ চলিহা খেল পথাৰত হ'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ অধিৱেশনৰ লাইখুঁটা কালি স্থাপন কৰা হয়। অৰ্জুন বঁটা বিজয়ী ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱাই অহা বছৰৰ ২৭ আৰু ২৮ জানুৱাৰীত হ'বলগীয়া অধিৱেশনৰ মূল মণ্ডপৰ লাইখুঁটা কালি তলাতল ঘৰৰ বাকৰিত স্থাপন কৰে। অনুষ্ঠানত এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰো আয়োজন কৰা হয়। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰ মহকুমা ছাত্ৰ সন্থা, শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থা তথা অঞ্চলবাসীৰ সহযোগত আয়োজিত এই অধিৱেশনত উদ্যোক্তাই সকলোৰে দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

০০০০০০

চৰাইদেউৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ তৃতীয় পৰ্যায়ৰ সত্যাপন প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা ন'ডেল বিষয়া নৱদ্বীপ চাংমাইয়ে জিলাখনৰ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলক শীঘ্ৰে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা সম্পৰ্কীয় কাম-কাজত অংগনৱাড়ী কৰ্মীসকলক নিয়োজিত কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে তেওঁ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়ববীয়াক গাঁও পঞ্চায়ত পৰ্যায়ত সত্য নিৰূপকসকলক আত্মসহায়ক গোটসমূহৰ হিতাধিকাৰীসকলক চিনাক্তকৰণ প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়াবলৈও নিৰ্দেশ দিয়ে।

০০০০০০

সমাপ্ত